**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১।	সমগ্ৰ দেশতে কাইলৈ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ। গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ দেশবাসীক উদ্দেশি ভাষণ।

২।	অসমৰ দুশবছৰীয়া চাহ উদ্যোগৰ অনন্য অৱদানৰ স্বীকৃতিস্বৰূপে আজি মুখ্যমন্ত্ৰীৰ 'এটি কলি দুটি পাত' আঁচনিৰ শুভাৰম্ভ।

৩।	চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা কেৱল চৰকাৰী শিক্ষানুষ্ঠানত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত।

৪।	আকাশবাণীযোগে আজি দিনৰ ১১ বজাত প্ৰধানমন্ত্ৰীৰ 'মন কী বাত'। **আৰু**

৫।	গুৱাহাটীৰ বৰ্ষাপাৰাত আজি ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল।

০০০০০০

সমগ্ৰ দেশতে কাইলৈ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্যপথত গণৰাজ্য দিৱসৰ পতাকা উৰুৱাব। ইয়াৰ পাছতে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন আৰু ২১ জাই টোপধ্বনিৰে সম্ভাষণ জনোৱা হ'ব। গণৰাজ্য দিৱস উপলক্ষে কৰ্তব্যপথত হ'বলগীয়া পেৰেডত সমাজৰ বিভিন্ন খণ্ডৰ ১০ হাজাৰ বিশেষ অতিথি উপস্থিত থাকিব। পেৰেডত অসমৰ পোৰামাটি শিল্পৰ প্ৰতীকপট প্ৰদৰ্শন কৰা হ'ব। ধুবুৰীৰ আশাৰিকান্দিৰ ভৌগোলিক সূচ্যাংকৰ পৰিচিতি লাভ কৰা এই শিল্প এইবাৰৰ পেৰেডত দেশবাসীৰ সন্মুখত উজ্বলি উঠিব।

ৰাজ্যৰ প্ৰতিখন জিলাতে গণৰাজ্য দিৱসৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে স্পৰ্শকাতৰ স্থানসমূহকে ধৰি বিভিন্ন নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। গুৱাহাটীৰ খানাপাৰত থকা অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচী উদযাপন কৰা হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ৯ বজাত গণৰাজ্য দিৱসৰ পতাকা উৰুৱাব। ইতিমধ্যে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত ২৪টা দলে কুচকাৱাজৰ অনুশীলন অব্যাহত ৰাখিছে। এইবেলি মিজোৰাম আৰক্ষীৰ এটা দলেও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। ডিব্ৰুগড় জিলাতো গণৰাজ্য দিৱসৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। জিলাখনৰ খনিকৰ খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই পতাকা উৰুৱাব। গণৰাজ্য দিৱস উপলক্ষে জিলাখনত আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। গোলাঘাট জিলাত গণৰাজ্য দিৱস উপলক্ষে সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰি তোলা হৈছে। জিলাখনৰ কেতবোৰ স্পৰ্শকাতৰ এলেকাক আজিৰে পৰা কাইলৈ পৰ্যন্ত অস্থায়ী ৰেড জ'ন হিচাপে ঘোষণা কৰা হৈছে। এই সময়ছোৱাত নিৰ্দিষ্ট অঞ্চলসমূহৰ ওপৰেৰে ড্ৰোণ নাইবা মানৱবিহীন উৰণ যন্ত্ৰ ব্যৱহাৰত কঠোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নিৰ্দেশ অমান্য কৰিলে আইন অনুসৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কোৱা হৈছে।

দক্ষিণ শালমাৰা মানকাচাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী অঞ্চলত গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। জিলাখনৰ অসম-মেঘালয় সীমান্তৱৰ্তী এলেকাসমূহত আৰক্ষীয়ে তালাচী অভিযান চলাই থকাৰ লগতে পহৰাৰ ব্যৱস্থা কৰিছে। মেঘালয়ৰ পৰা জিলাখনত প্ৰৱেশ কৰা বাহনসমূহত তালাচী চলোৱা হৈছে। তদুপৰি বাংলাদেশৰ সৈতে সংলগ্ন আন্তঃৰাষ্ট্ৰীয় সীমান্তত সীমান্ত সুৰক্ষা বাহিনীয়ে নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰি তুলিছে। সীমান্তৱৰ্তী নদী, চৰ অঞ্চল আৰু উন্মুক্ত এলেকাত চোকা দৃষ্টি ৰখা হৈছে। জিলাখনৰ হাটশিঙিমাৰি মহাবিদ্যালয়ত কাইলৈ কেন্দ্ৰীয়ভাৱে গণৰাজ্য দিসৰ উদযাপন কৰা হ'ব। দিৱসৰ কুচকাৱাজত কাইলৈ ১৪ টা দলে অংশগ্ৰহণ কৰিব। ৰাজ্যৰ অন্যান্য জিলাসমূহত গণৰাজ্য দিৱসৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

গোৱালপাৰা জিলাত প্ৰশাসনে কাইলৈ জেটিএছ খেলপথাৰত কেন্দ্ৰীয়ভাৱে গণৰাজ্য দিৱস উদযাপন কৰিব। এইবেলি কেন্দ্ৰীয় সংৰক্ষিত বাহিনী, গৃহৰক্ষী বাহিনী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, সৈনিক স্কুলৰ লগতে অন্যান্য শিক্ষানুষ্ঠানৰ ২৭ টা দলে কুচকাৱাজত অংশ ল'ব।

বজালী জিলাত ৭৭ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে কাইলৈ পাঠশালা সাহিত্য সভাই স্বৰচিত কবিতা পাঠ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানটো ৰাজ্য চৰকাৰৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত স্বাস্থ্য সেৱা সঞ্চালক ডাঃ সুব্ৰত কুমাৰ শৰ্মাই সঞ্চালনা কৰিব।

০০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যাত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক উদ্দেশ্যি ভাষণ দিব। সন্ধিয়া ৭ বজাৰ পৰা এই ভাষণ আকাশবাণীৰ সকলো নেটৱৰ্ক আৰু দূৰদৰ্শনৰ সকলো চেনেল যোগে সম্প্ৰচাৰ কৰা হ'ব। দূৰদৰ্শনত হিন্দী আৰু ইংৰাজীত এই ভাষণ প্ৰচাৰৰ পাছতে আঞ্চলিক ভাষাতো এই ভাষণ প্ৰচাৰ কৰা হ'ব। ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ আকাশবাণী গুৱাহাটীয়ে নিশা চাৰে ন বজাত প্ৰচাৰ কৰিব।

০০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীয়ে যোৱা নিশা 'মোৰ বাবে গণতন্ত্ৰৰ অৰ্থ' শীৰ্ষক 'দৃষ্টিপাত' অনুষ্ঠান প্ৰচাৰ কৰে। আলোচনাত অংশগ্ৰহণ কৰি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক তথা লেখক ড০ সূৰ্য দাসে গণতান্ত্ৰিক শাসন ব্যৱস্থাত প্ৰতিগৰাকী ব্যক্তিৰ বাবে খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ অধিকাৰ নিশ্চিত হ'ব লাগে বুলি উল্লেখ কৰে। তেওঁ লগতে গণতন্ত্ৰ শক্তিশালী কৰাৰ ক্ষেত্ৰত মহিলা সৱলীকৰণৰ ভূমিকা উল্লেখ কৰে। অনুষ্ঠানত অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা মীনাক্ষী কাকতিয়ে গণতন্ত্ৰ জনসাধাৰণৰ বাবে আশীৰ্বাদ বুলি উল্লেখ কৰি কয় যে ভাৰতীয় গণতন্ত্ৰত সাধাৰণ স্তৰৰ ব্যক্তি ক্ষমতাত অধিস্থিত হোৱাটোৱে গণতান্ত্ৰিক ব্যৱস্থা এতিয়াও খৰ্ব নোহোৱাটোকে প্ৰতিপন্ন কৰে। অনুষ্ঠানত শিক্ষাৰ্থী তথা আকাশবাণীৰ স্বীকৃত অভিনেতা অৰুণাভ হাজৰিকাই প্ৰতিগৰাকী নাগৰিকৰ প্ৰতিটো কাম আৰু চিন্তা গণতান্ত্ৰিক প্ৰমূল্যৰে প্ৰেৰিত হোৱা উচিত বুলি মত প্ৰকাশ কৰে। তেওঁ লগতে গণতান্ত্ৰিক ৰাষ্ট্ৰ গঢ়াৰ ক্ষেত্ৰত ত্যাগ স্বীকাৰ কৰা অগ্ৰজসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। জিণ্টী ৰাণী ডেকাই আঁত ধৰা অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা আছিল আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

অসমৰ দুশবছৰীয়া চাহ উদ্যোগৰ অনন্য অৱদানৰ স্বীকৃতিস্বৰূপে আজি মুখ্যমন্ত্ৰীৰ 'এটি কলি দুটি পাত' আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। তিনিচুকীয়া জিলাৰ ডুমডুমাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। আঁচনিখন মুকলি কৰাৰ পূৰ্বে এই অনুষ্ঠানতে দিনৰ ১১ বজাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কী বাত' অনুষ্ঠানটি সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হ'ব। 'এটি কলি দুটি পাত' আঁচনিৰ অধীনত ৰাজ্যৰ ৮৩৬ খন চাহ বাগিচাৰ ৬ লাখৰো অধিক শ্ৰমিক আৰু কৰ্মচাৰীক ৫ হাজাৰ টকাকৈ এককালীন

সাহায্য প্ৰদান কৰা হ'ব। ৰাজ্যৰ প্ৰতিখন জিলাতে আয়োজিত বিশেষ কাৰ্যসূচীত মন্ত্ৰী তথা বিধায়কসকলে এই আঁচনিৰ অধীনত আৰ্থিক সাহায্য বিতৰণ কৰিব।

০০০০০০

২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ লিখিত পৰীক্ষা অহা ১০ৰ পৰা ২৭ ফেব্ৰুৱাৰীলৈ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ লিখিত পৰীক্ষাসমূহ ২৭ জানুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত কালি অনুষ্ঠিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাকেন্দ্ৰ তত্বাৱধায়ক আৰু সহকাৰী তত্বাৱধায়কৰ অৰিয়েণ্টেছন কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭ হাজাৰ ৩৫৫ খন বিদ্যালয়ৰ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৩ হাজাৰ ১০৩ খন শিক্ষানুষ্ঠানৰ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। মুখ্যমন্ত্ৰীয়ে পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে বিদ্যালয় শিক্ষা বিভাগৰ নীতি-নিয়ম মানি চলি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট সকলোকে আহ্বান জনায়। চলিত বছৰৰ এই পৰীক্ষাসমূহ কেৱল চৰকাৰী শিক্ষানুষ্ঠানতহে অনুষ্ঠিত কৰাৰ লগতে চৰকাৰী শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰীহে তত্বাৱধায়কৰ দায়িত্বত থাকিব বুলি মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে।

**বাইট (চি এম)**

ড০ শৰ্মাই অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ বাবে শিক্ষানুষ্ঠানসমূহৰ অধ্যক্ষ, প্ৰধান শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীসকলক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, বিদ্যালয় শিক্ষা বিভাগৰ আয়ুক্ত সচিব নাৰায়ণ কোঁৱৰ, অসম ৰাজ্যিক বিদালয় শিক্ষা পৰিষদৰ অধ্যক্ষ আৰ চি জৈনকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩০ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

আজি ৰাষ্ট্ৰীয় ভোটদাতা দিৱস। গণতন্ত্ৰক উদযাপন আৰু দেশৰ নিৰ্বাচন প্ৰক্ৰিয়াত প্ৰতিজন নাগৰিকৰ অংশগ্ৰহণক মান্যতা দি প্ৰতি বছৰে ২৫ জানুৱাৰীৰ দিনটো ৰাষ্ট্ৰীয় ভোটদাতা দিৱস হিচাপে উদযাপন কৰা হয়। উল্লেখযোগ্য যে, ১৯৫০ চনৰ এই দিনটোতে ভাৰতীয় সংবিধানৰ ৩২৪ নম্বৰ অনুচ্ছেদৰ অধীনত ভাৰতীয় নিৰ্বাচন আয়োগ গঠন হৈছিল। এই বছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে- **মোৰ ভাৰত, মোৰ ভোট**। দেশৰ ১১ লাখ নিৰ্বাচনী বুথত আজি এই দিৱস উদযাপন কৰা হ'ব। ভাৰতীয় নিৰ্বাচন আয়োগে ৰাষ্ট্ৰীয় ভোটদাতা দিৱস উপলক্ষে কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰিছে।

০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগলৈ ২০২৫ বৰ্ষৰ ভোটদাতাৰ শিক্ষা সজাগতা সন্দৰ্ভত শ্ৰেষ্ঠ অভিযানৰ বাবে ইলেকট্ৰ'নিক ৰেডিঅ' শাখাত মিডিয়া পুৰস্কাৰ আগবঢ়োৱা হৈছে। নতুন দিল্লীত আয়োজিত ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ অনুষ্ঠানত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই পুৰস্কাৰ প্ৰদান কৰিব। এই পুৰস্কাৰৰ জৰিয়তে নিৰ্বাচনী প্ৰক্ৰিয়াত

অংশগ্ৰহণৰ প্ৰচাৰ আৰু নিৰ্বাচন সন্দৰ্ভত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত আকাশবাণীৰ বাতৰি বিভাগৰ বিশেষ প্ৰয়াসক মান্যতা প্ৰদান কৰা হৈছে।

০০০০০০

দীঘলীপুখুৰীৰ পৰা নুনমাটীলৈ নিৰ্মীয়মান উৰণ সেতুখন চানমাৰী উৰণ সেতুৰ সৈতে সংযোগ কৰণৰ কাম চলি থকাৰ পৰিপ্ৰেক্ষিতত উৰণ সেতুখনেৰে পৰৱৰ্তী কিছু দিনলৈ যান-বাহনৰ চলাচল কিছু নিয়ন্ত্ৰণ কৰা হ'ব। মহানগৰ যান-বাহন আৰক্ষীয়ে কালি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। সেই অনুসৰি কালি নিশাৰে পৰা উৰণ সেতুখনৰ এটা পথেৰে যান-বাহনৰ চলাচল বন্ধ কৰি দিয়া হৈছে। বিকল্প পথ হিচাপে এই যান-বাহনসমূহে ৰাজগড়-ভঙাগড় পথেৰে যাত্ৰা কৰিব পাৰিব বুলি গুৱাহাটী মহানগৰ যান-বাহন শাখাৰ উপ আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথি বৰাই প্ৰকাশ কৰে। সকলো দিশ চালিজাৰি চাই আৰু জনসাধাৰণৰ মতামত গ্ৰহণ কৰি বিকল্প পথৰ ব্যৱহাৰ আৰু যানবাহন চলাচলৰ নিৰ্দেশনা দুই-এদিনতে জাৰি কৰা হ'ব বুলি কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত স্বপ্নীল পালে সংবাদমেলত প্ৰকাশ কৰে।

**ৰাইট**

০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ'ব। ভাৰতে সম্প্ৰতি এই শৃংখলাত ২-০ৰ অগ্ৰগতি লাভ কৰিছে।

আজি হ'বলগীয়া খেলখনৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীৰ যান-বাহন শাখাৰ উপ-আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই সন্দৰ্ভত যানবাহন শাখাৰ উপ-আয়ুক্ত জয়ন্ত সাৰথি বৰাই কালি এখন সংবাদমেলত এইদৰে কয়-

***(ৰাইট ঃ বৰা)***

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ গ্ৰন্থ কুটীৰ নামৰ পুথিভঁৰালত অসমৰ ৮ খন সাঁচিপতীয়া পুথিয়ে স্থান লাভ কৰাৰ বাতৰি দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

আজি গুৱাহাটী বিশ্ববিদ্যালয়ত হ'বলগীয়া সাদিন-প্ৰতিদিন গোষ্ঠীৰ এচিভাৰ এৱাৰ্ডছ্ অনুষ্ঠানত কেন্দ্ৰীয় ডোনাৰ আৰু যোগাযোগ দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই বাতৰি অসমীয়া প্ৰতিদিন কাকতৰ।

কেন্দ্ৰীয় চৰকাৰে সময়মতে কেন্দ্ৰীয় কৰৰ অংশ মোকলাই নিদিয়াত ৰাজ্য চৰকাৰ গভীৰ সংকটৰ মুখামুখি হোৱাৰ এটা বাতৰি দৈনিক অসম কাকতে প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতত ভোটাৰ তালিকাৰ পৰা একাংশ বিশেষ ভোটাৰৰ নাম কৰ্তন কৰা ঘটনা সন্দৰ্ভত ৰাইজৰ দলে যোৰহাট সদৰ থানাত গোচৰ ৰুজু কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে জনতাৰ পৰামৰ্শৰে বিজেপিয়ে সংকল্প পত্ৰ সমৃদ্ধ কৰাৰ লগতে প্ৰতিটো সমষ্টিলৈ ভিডিঅ' ভান প্ৰেৰণ কৰাৰ এটা বাতৰি প্ৰকাশ কৰিছে।

ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণক কেন্দ্ৰ কৰি ৰাজ্যত শাসক পক্ষৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ইয়াকে লৈ নিৰ্বাচনৰ আয়োগৰ নীৰৱতাত ক্ষোভ ব্যক্ত কৰাৰ এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে।

সমাগত বিধানসভা নিৰ্বাচনত বিজেপি আৰু মিত্ৰজোঁটৰ আসন ভাগ বাটোৱাৰাক লৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা এটা বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰি পত্নী গৰিমা শইকীয়া গাৰ্গে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে। এই বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰকাশ কৰিছে। বাতৰিটো দা ছেণ্টিনেল কাকতেও আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

ৰাজ্যত অহা এপ্ৰিলত আৰম্ভ হ'বলগীয়া ২০২৭ৰ লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ সমীক্ষাত পৰিয়ালসমূহে ৩৩টা প্ৰশ্নৰ উত্তৰ দিব লাগিব। ভাৰতৰ ৰেজিষ্টাৰ জেনেৰেল আৰু লোকপিয়ল আয়ুক্তই দৈনন্দিন জীৱনৰ সকলো বিষয় সামৰি ৩৩টা প্ৰশ্ন নিৰ্ধাৰণ কৰি দিছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে লোকপিয়লৰ প্ৰথম পৰ্যায়ত মূল্যায়নকাৰীসকলে বাসগৃহৰ বিৱৰণ, খোৱাপানীৰ উৎস, শৌচাগাৰৰ আৰু স্নানাগাৰৰ ব্যৱস্থা, ঘৰত থকা বাহন, লেপটপ, মোবাইল ফোন, টিভিকে ধৰি অন্যান্য ব্যৱহাৰ্য সামগ্ৰী, পোহৰৰ উৎস, ৰন্ধন গেছৰ ইন্ধন, এল পি জি সংযোগক ব্যৱস্থাকে ধৰি অন্যান্য বিষয়ৰ প্ৰশ্ন সামৰি লোৱা হ'ব। চৰকাৰে ইতিমধ্যে প্ৰথম পৰ্যায়ত লোকপিয়ল হ'বলগীয়া খণ্ডসমূহৰ তালিকা প্ৰস্তুত কৰিছে আৰু ইয়াৰ বাবে কেইবাহাজাৰ গণনাকাৰীক নিয়োগ কৰা হ'ব। এইবাৰ প্ৰথমবাৰৰ বাবে ডিজিটেল পদ্ধতিৰে ডাটা এণ্ট্ৰি কৰা হ'ব আৰু মোবাইল এপ্লিকেচনৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হ'ব। ৰাজ্য চৰকাৰে ইতিমধ্যে বিশ্বজিত পেগুক লোকপিয়লৰ সঞ্চালক হিচাপে নিযুক্তি দিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থকাৰ লগতে দিনৰ ভাগলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, আৰু ত্ৰিপুৰাৰ বতৰ শুকান হোৱাৰ আৰু অৰুণাচল প্ৰদেশৰ বিভিন্ন স্থানত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**